# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-June-2026
**Time :** 2125 HRS

# *Assamese Night Bulletin*
-------------------

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত অসমৰ বাচকবনীয়া মুগা শিল্পৰ প্ৰসাৰ আৰু এই শিল্পৰ বিকাশৰ বাবে ৪০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ চেনেহজৰী শীৰ্ষক মুগা অভিযানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিতি থাকে। অসমৰ মুগা শিল্পক গোলকীয় ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা এই অভিযানৰ অধীনত মুগা ৰেচমৰ ৰপ্তানি দুহেজাৰ কিলোগ্ৰামতকৈও অধিক, মুগা সূতাৰ মূল্য প্ৰতি কিলোগ্ৰামত ৩০ৰ পৰা ৪৫ হাজাৰ টকালৈ বৃদ্ধি, পাঁচটা আধুনিক ৰিলিং ইউনিট তথা বিশেষ মুগা সূতা কটা মিল স্থাপন আৰু পাঁচ হাজাৰ হেক্টৰ ভূমিত চোম আৰু সোঁৱালু গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই উপলক্ষে ড০ শৰ্মাই কয় যে এই অভিযানে ৰাজ্যৰ হাজাৰ হাজাৰ কৃষক, শিপিনী আৰু শিল্পীৰ জীৱন-জীৱিকা সুৰক্ষিত কৰিব আৰু এহেজাৰ ১৮০টা কৃষক ইণ্টাৰেষ্ট গোট আৰু ৩০টা কৃষক উৎপাদন সংস্থা গঠনেৰে মুগা উৎপাদন আৰু শিপিনীসকলক আৰ্থিকভাৱে সবল কৰি তুলিবলৈ চেষ্টা কৰা হ'ব। অসমৰ যুগমীয়া মুগা শিল্পক বিশ্ব বজাৰত বিশ্বাসযোগ্য আৰু অভিলাষী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ শিপিনীসকলক ডিজিটেল ব্যৱস্থাৰ সৈতে সুসংঘবদ্ধ কৰা আৰু বিশ্বৰ ক্ৰেতাসকলৰ বাবে মান নিশ্চিত কৰাত সহায়ক হোৱাকৈ জি আই প্ৰমাণিকৰণত মনোনিবেশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত ড'নাৰ মন্ত্ৰী শ্ৰীসিন্ধিয়াই কয়, যে এঘাৰটা উপাদান সন্নিবিষ্ট এই অভিযানৰ মাধ্যমেৰে মুগা পালক, হস্তশিল্পী, বস্ত্ৰশিল্পী আৰু স্থানীয় ব্যৱসায়ীসকলক ন্যায্য প্ৰাপ্য দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ মুগা শিল্পক সন্মান সহকাৰে লৈ যোৱা হ'ব।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি অসমৰ কৃষি আন্তঃগাথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। আলোচনাকালত কৃষি আন্তঃগাথনি পুঁজি অধিক ব্যৱহাৰ, শীতলীকৃত সংৰক্ষণ ব্যৱস্থা, উন্নত বজাৰ সংযোগ, যান্ত্ৰিক কৃষি পদ্ধতি আৰু শক্তিশালী যোগান শৃংখলা গঢ়ি তোলা বিষয়ত আলোচনা কৰা হয়। অসমৰ কৃষকসকলে যাতে এই উন্নত সুবিধাসমূহ লাভ কৰিব পাৰে সেই বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীৰ সহযোগিতা বিচাৰে।

বাইট-মুখ্যমন্ত্ৰী

আলোচনাকালত ৰাজ্যখনত কৃষক কল্যানমূলক আঁচনিসমূহৰ তৃণমূল পৰ্যায়ত ফলপ্ৰসূ ৰূপায়ণ আৰু লাখপতি বাইদেউ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়।

০০০০০

সমগ্ৰ শিক্ষা অসমে তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্ৰথম পৰ্যায় অহা ৯ জুনৰ পৰা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ মূল্যায়নৰ লক্ষ্যৰে এই মূল্যায়ন অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ক্ষেত্ৰত হোৱা অসুবিধা আৰু এইক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহ নিৰ্ধাৰণ কৰা হয়। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে জাৰি কৰা অধিসূচনা অনুসৰি তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ ৯ জুনৰ পৰা ১২ জুনলৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ১৬ জুনত মান নিৰূপণ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০

মৰিগাঁও জিলাৰ কপিলী শিক্ষা খণ্ডৰ অন্তৰ্গত পটুৱাকটা মাধ্যমিক বিদ্যালয়ত আজি শিক্ষাৰ প্ৰতি সজাগতা সৃষ্টি, বিদ্যালয়মুখী পৰিৱেশ গঢ়ি তোলা আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ উদ্দেশ্যে এখন শৈক্ষিক সজাগতা সভা অনুষ্ঠিত হয়। সভাত মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তিৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সভাত ভাষণ দি জিলা আয়ুক্তগৰাকীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে কেৱল বিদ্যালয়ৰ ওপৰত নিৰ্ভৰ কৰি থাকিলে নহ'ব, তেওঁলোকে ঘৰতো নিয়মীয়াভাৱে অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব লাগিব। তেওঁ কয় যে শিক্ষাখণ্ডৰ উন্নয়ন কেৱল চৰকাৰৰ একক দায়িত্ব নহয়, ইয়াৰ বাবে শিক্ষক, অভিভাৱক, সমাজ আৰু প্ৰশাসন সকলোৰে সন্মিলিত সহযোগিতাৰ প্ৰয়োজন।

০০০০০

বৰপেটা সত্ৰত দুদিনীয়াকৈ আয়োজিত মহাপুৰুষ মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ আজি সন্ধিয়া সামৰণি পৰে। বিয়লি সত্ৰৰ চোতালত আইসকলৰ নাম অনুষ্ঠিত হয় আৰু ইয়াৰ পাছত বুঢ়াসত্ৰীয়াই আশীৰ্বাদ প্ৰদান কৰাৰ লগে লগে মহাপুৰুষজনাৰ আবিৰ্ভাৱ মহোৎসৱৰ সামৰণি পৰে।

০০০০০

সমাপ্ত